অসম

ভাৰত-ভূটান সীমান্তত বন্যহস্তীৰ আক্রমণত এজনৰ মৃত্যু

ওদালগুৰিৰ ডিমাকুছিত পুৱা প্রাতঃভ্রমণলৈ ওলাই যোৱা অৱস্থাত বন্যহস্তীৰ আক্রমণত এজন লোক নিহত হয়।

প্রকাশ: ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৭



Worker killed in wild elephant attack (NewzNow graphic)

ওদালগুৰি, মঙলবাৰ: ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৱর্তী ডিমাকুছিত বনৰীয়া হাতীৰ আক্রমণত এজন লোকৰ কৰুণ মৃত্যু ঘটে। নিহত লোকজন ২নং বামুনজুলিৰ বাসিন্দা জিৎ বাহাদুৰ ছেত্রী (৬০) বুলি চিনাক্ত কৰা হৈছে।

প্রাপ্ত তথ্য অনুসৰি, মঙলবাৰে পুৱা জিৎ বাহাদুৰ ছেত্রীয়ে প্রাতঃভ্রমণলৈ ওলাই যাওঁতে ৰাজপথত হঠাৎ এটা বনৰীয়া হাতীৰ মুখামুখি হয়। বন্যহস্তীটোৱে তেওঁক আক্রমণ কৰি গছকি দিয়াত ঘটনাস্থলীতে তেওঁ প্রাণ হেৰুৱায়। পাছত স্থানীয় ৰাইজে পথৰ ওপৰত মৃতদেহটো প্রত্যক্ষ কৰি বন বিভাগ আৰু ডিমাকুছি আৰক্ষীক অৱগত কৰে।

স্থানীয় ৰাইজৰ মতে, উক্ত স্থানতে পূর্বেও বন্যহস্তীৰ আক্রমণত তিনিজন লোকে প্রাণ হেৰুৱাইছিল। ডিমাকুছি, বামুনজুলি, বাদলাপাৰা, ৰজাগড়, নালাপাৰা আৰু টেংকিস্তিকে ধৰি সীমান্তৱর্তী অঞ্চলসমূহত দীর্ঘদিন ধৰি হাতী-মানুহৰ সংঘাত অব্যাহত আছে। খাদ্যৰ সন্ধানত কাষৰীয়া বৰনদী অভয়াৰণ্যৰ পৰা বন্যহস্তী জনাঞ্চললৈ ওলাই অহাৰ বাবেই এই সংঘাত ক্রমাৎ বৃদ্ধি পাইছে বুলি স্থানীয় লোকে প্রকাশ কৰে। ইয়াৰ উপৰিও বনাঞ্চল ধ্বংস আৰু

হাতীৰ বিচৰণস্থলীত বেদখলকো সমস্যাৰ অন্যতম কাৰণ হিচাপে চিহ্নিত কৰা হৈছে।

বিগত এবছৰত জিলাখনত বন্যহস্তীৰ আক্রমণত ১৫ জনতকৈ অধিক লোকৰ মৃত্যু হোৱাৰ বিপৰীতে মানুহৰ আক্রমণত প্রায় ৭-৮ টা হাতীৰো মৃত্যু ঘটিছে। বাৰে বাৰে আবেদন জনোৱাৰ পাছতো সংঘাত ৰোধত বন বিভাগ আৰু বিটিআৰ চৰকাৰে ফলপ্রসূ ব্যৱস্থা নোলোৱাত ক্ষোভ প্রকাশ কৰিছে অঞ্চলবাসীয়ে। সমস্যাটোৰ স্থায়ী সমাধানৰ বাবে বন বিভাগ, বিটিআৰ প্রশাসন আৰু ৰাজ্য চৰকাৰক তৎকালীন পদক্ষেপ ল'বলৈ ৰাইজে দাবী জনাইছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5888/wild-elephant-attack-kills-man-dimakuchi-udalguri